বিভিন্ন পাৰিপাৰ্শ্বিক কাৰণত বৰ্তমান সময়ত ভাষাৰ বিলুপ্তি এটা অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। তেনে ক্ষেত্ৰত কম্পিউটাৰৰ দৰে আধুনিক যান্ত্ৰিক ব্যৱস্থাত অসমীয়া ভাষাৰ ব্যৱহাৰে অসমীয়া ভাষাৰ স্থায়িত্বত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কম্পিউটাৰত অসমীয়া ভাষাৰ ব্যৱহাৰ সহজলভ্য বা সহজসাধ্য হোৱা খুব বেছি দিনো হোৱা নাই। এটা সময়ত কম্পিউটাৰত অসমীয়া লিখাতো দূৰৰে কথা দেখা পোৱাতোও জটিল আছিল। কিন্তু বৰ্তমান সময়ত মাইক্ৰ'ছফ্ট ৱিণ্ড'জ, লিনাক্স, এপল মেকিণ্ট'ছ আদি অপা�ৰেটিং ছিষ্টেম থকা সকলো ধৰণৰ ডেস্কটপ বা লেপটপ কম্পিউটাৰতে অতি সহজতে কিছুমান সঁজুলিৰ সহায়ত অসমীয়া লিখিব পৰা হৈছে। আজি কিছু বছৰৰ পৰা অসমীয়া আখৰ কম্পিউটাৰত ব্যৱহাৰ কৰিব পৰাকৈ বিভিন্ন প্ৰযুক্তিৰ উদ্ভাৱন কৰা হৈছে। তাৰ ভিতৰত বিভিন্ন লিখন সঁজুলি, অভিধান, প্লাগ্-ইন, ফণ্ট আদিয়েই প্ৰধান। এই অধ্যায়টোত সেই দিশ কেইটাৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ব।

১৪.৩ কম্পিউটাৰত অসমীয়া ভাষা

কম্পিউটাৰ এটাত কোনো এটা ভাষা লিখিবৰ বাবে প্ৰয়োজন হোৱা প্ৰধান সঁজুলিটো হ'ল সেই ভাষাত নিৰ্মাণ কৰা কী-বৰ্ড। কম্পিউটাৰৰ হাৰ্ডৱেৰ অংশ হিচাপে কী-বৰ্ড এখন প্ৰত্যেক ব্যক্তিগত কম্পিউটাৰ বা লেপটপৰ লগত সংযোগ হৈ থাকে যদিও সেই কী-বৰ্ডবোৰক কেৱল ইংৰাজী বৰ্ণমালা লিখিবৰ বাবেহে সজোৱা থাকে। সেয়ে আমি কম্পিউটাৰৰ লগত সংলগ্ন কী-বৰ্ড এখনেৰে টাইপ কৰিলে কেৱল ইংৰাজী আখৰহে দেখা পাওঁ। সেয়ে কম্পিউটাৰত ইংৰাজীৰ বাহিৰে অন্য ভাষাত লিখিবলৈ হ'লে সেই নিৰ্দিষ্ট ভাষাৰ কী-বৰ্ড একোখন স্থাপন (ইনষ্টল) কৰিব লগা হয়। কম্পিউটাৰত লিখিব বিচৰা ভাষাটোৰ কী-বৰ্ড এখন স্থাপন কৰাৰ পিছত তাক লিখিবৰ সময়ত সক্ৰিয় কৰি ল'লেহে কম্পিউটাৰৰ লগত থকা কী-বৰ্ডখনত টাইপ কৰিলে আমি সেই ভাষাবোৰ কম্পিউটাৰ স্ক্ৰীণত থকা লিখন সঁজুলি (MS Word, Notepad আদি) দেখা পোৱা যায়। অসমীয়া ভাষাৰ ক্ষেত্ৰতো কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে অসমীয়া ভাষাৰ নিৰ্দিষ্ট কী-বৰ্ড কম্পিউটাৰত স্থাপন কৰি তাক সক্ৰিয় কৰি ল'ব লাগিব।

কী-বৰ্ডৰ সমান্তৰালভাৱে কম্পিউটাৰত নিৰ্দিষ্ট ভাষা এটা লিখিবৰ বাবে প্ৰয়োজন হোৱা আন এটা গুৰুত্বপূৰ্ণ সঁজুলি হ'ল 'ফণ্ট'। কম্পিউটাৰত অসমীয়া ভাষা লিখিবৰ বাবে অসমীয়া ভাষাৰ কী-বৰ্ডৰে টাইপ কৰা আখৰবোৰ কম্পিউটাৰ স্ক্ৰীণত দেখিবৰ বাবেই প্ৰয়োজন হয় অসমীয়া ফণ্টৰ। ফণ্টবোৰ আকৌ বিভিন্ন ষ্টাইল বা ভাজৰ হ'ব পাৰে। কিন্তু প্ৰধান কথা হৈছে অসমীয়া ভাষাৰ লিপিক প্ৰতিনিধিত্ব কৰিব লাগিব। কী-বৰ্ড, ফণ্টৰ লগে লগে ভাষা এটা শুদ্ধ হৈছে নে নাই তাক কম্পিউটাৰত টাইপ কৰি যোৱাৰ সময়তে চাই যাবলৈ প্ৰয়োজন হয় 'স্পেল-চেকাৰ' বা বানান পৰীক্ষক আৰু অভিধানৰ দৰে আনুষাঙ্গিক চফ্টৱেৰৰ।

এই অধ্যায়ৰ আলোচনাত বহু কেইখন অসমীয়া কী-বৰ্ডৰ বিষয়ে উল্লেখ কৰা হৈছে, ঠিক সেইদৰে এই অধ্যায়ৰ আলোচনাত বহু কেইটা অসমীয়া ফণ্টৰ বিষয়েও উল্লেখ কৰা হৈছে।

কোনো সঁজুলিত গীতাঞ্জলি ফণ্ট ব্যৱহাৰ কৰি লিখা কোনো লেখা ইণ্টাৰনেটত আপল'ড কৰাৰ লগে লগে সেই আখৰবোৰ অসমীয়া নহৈ কিছুমান অর্থহীন ৰোমান লিপিত বা অর্থহীন বাকচত দেখুৱাবলৈ ধৰিলে। এই সমস্যা যে অকল অসমীয়া ফণ্টৰ ক্ষেত্ৰতে হৈছিল এনে নহয়। সকলো ভাৰতীয় ভাষাৰ ক্ষেত্ৰতে এনে সমস্যা হ'বলৈ ধৰিলে।

শেষত বহু গৱেষণা আৰু আলোচনাৰ অন্তত ১৯৯১ চনত Unicode Consortium নামৰ অপেছাদাৰী সংগঠনটোৱে "ইউনিক'ড" নামৰ এটা প্ৰণালী উদ্ভাৱন কৰে। যাৰ ফলত ইণ্টাৰনেট আৰু কম্পিউটাৰত আঞ্চলিক ভাষাৰ লিপিত আখৰ লিখা সম্ভৱ হৈ উঠিল। ইউনিক'ড (Unicode) হৈছে কম্পিউটাৰৰ লিখন প্ৰণালীত থকা আখৰ বা চিনবোৰৰ সংহত নিয়মীকৰণ, নির্দেশনা আৰু প্ৰতিনিধিত্ব কৰিব পৰাকৈ ব্যৱহৃত এক কাৰিকৰী মান। প্ৰধানতঃ ইউনিক'ড পদ্ধতিত "বিশ্বৰ প্ৰায় সকলো ভাষাৰ লিপিসমূহ পর্য্যায় ক্ৰমে একো একোটা বিশেষ মানদণ্ডত ৰখা অথবা ৰাখিবলৈ চেষ্টা কৰা হৈছে।" ইউনিক'ডে বিশ্বৰ প্ৰতিটো ভাষাৰ বর্ণমালাৰ বাবে একোটা সুকীয়া range ৰ সৃষ্টি কৰিছে, (বাংলা ভাষাৰ বাবে U+0980-ৰ পৰা U+09FF, দেৱনাগৰী(হিন্দী) U+0900-ৰ পৰা U+097F, তামিল ভাষাৰ বাবে U+0B80-ৰ পৰা U+0BFF ইত্যাদি)। এনেদৰে বিশ্বৰ প্ৰতিটো লিপিৰ বাবে একোটা বিশেষ স্থান নির্ধাৰণ কৰাৰ বাবে বর্তমান বিশ্বত ব্যৱহাৰ হৈ থকা সকলো বৈদ্যুতিক সামগ্ৰীত (আৰু ভৱিষ্যতে আৱিষ্কৃত হ'ব লগা সামগ্ৰীসমূহতো) বিশ্বৰ সকলো ভাষা ব্যৱহাৰ কৰিব পৰাটো সম্ভৱ হৈছে। ইউনিক'ড পদ্ধতি হোৱাৰ আগতে, কম্পিউটাৰ বা অন্য বৈদ্যুতিক মাধ্যমত ব্যৱহাৰ কৰিবলৈ বিশ্বৰ প্ৰতিটো ভাষাৰে বিভিন্ন নিজা পদ্ধতি আছিল। যাৰ ফলত, সেই পদ্ধতি কেৱল এখন দেশত বা একোটা অঞ্চলতহে ব্যৱহাৰ কৰিব পৰা গৈছিল। উদাহৰণ স্বৰূপে, ভাৰতবর্ষৰ পদ্ধতিটোৰ নাম আছিল— ISCII (Indian Standard Code for Information Interchange), আমেৰিকাৰ পদ্ধতিটোৰ নাম আছিল— ASCII (American Standard Code for Information Interchange)। এই ASCII পদ্ধতিটো বহুলভাৱে ব্যৱহৃত হৈছিল, ভাৰততো ইয়াৰ ব্যৱহাৰ হৈছিল। আমাৰ অসমৰ ডিটিপি চেণ্টাৰ (DTP Center)-বোৰত বর্তমানে ব্যৱহাৰ হৈ থকা অসমীয়া আখৰবোৰৰ পদ্ধতি ASCII-ৰ ওপৰত ভিত্তি কৰিয়েই তৈয়াৰ কৰা। আমাৰ বহুতৰে চিনাকি— Leap Office ভাৰতীয় ISCII পদ্ধতিৰ দ্বাৰা নির্মিত। কিন্তু ইউনিক'ড হোৱাৰ পাছত এতিয়া যিকোনো প্লেটফ'র্মতে, যিকোনো প্ৰ'গ্ৰামতে বা যিকোনো ভাষাতে একে ধৰণেৰে লিখিব পৰা হৈছে।

ইউনিক'ড পদ্ধতিক সমর্থম কৰিবৰ বাবে কিছুমান বিশেষ ফ'ণ্ট কম্পিউটাৰত থকাটো প্ৰয়োজন। ইউনিক'ড পদ্ধতি অৱলম্বণ কৰি যিবোৰ ফ'ণ্ট তৈয়াৰ কৰা হয় সেইবোৰেই হ'ল ইউনিক'ড ফ'ণ্ট। কম্পিউটাৰত বিশেষকৈ ইণ্টাৰনেটত অসমীয়া বা অন্য ভাষা দেখিবলৈ হ'লে সেই সেই ভাষাৰ কিছুমান বিশেষ ফ'ণ্ট কম্পিউটাৰত থকাটো

.....

.....

প্ৰশ্ন নং ৩ ঃ ইউনিক'ড পদ্ধতিয়ে কি দৰে কাম কৰে? চমুকৈ লিখক। (60 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১৪.৩.২ অসমীয়া কী-বৰ্ড

কম্পিউটাৰ আৰু ম'বাইলত অসমীয়া লিখিবৰ বাবে প্ৰধান সঁজুলিবিধ হ'ল 'কী-বৰ্ড'। Unicode Consortium-এ ইউনিক'ডৰ সম্প্ৰসাৰণ কৰাৰ আগলৈকে কম্পিউটাৰ আৰু ম'বাইলত অসমীয়া লিখিবৰ বাবে বিশেষ অসমীয়া কী-বৰ্ডৰ নিৰ্মাণ হোৱা নাছিল। ১৯৮৩ চনত জন্ম হোৱা Modular InfoTech Pvt. Ltd নামৰ এটা কোম্পানীটোৱেই সম্ভৱতঃ প্ৰথমবাৰৰ বাবে অসমীয়াকে ধৰি আন আন ভাৰতীয় ভাষাত কম্পিউটাৰত লিখিব পৰা চফ্‌টৱেৰৰ নিৰ্মাণ কৰিছিল। তাৰ পিছত কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে সম্পূৰ্ণ ঘৰুৱাভাৱে আন এক চফ্‌টৱেৰৰ নিৰ্মাণ কৰে ১৯৯২ চনত গুৱাহাটীৰ ত্ৰিদীপ কুমাৰ বৰুৱাই। ত্ৰিদীপ কুমাৰ বৰুৱাই নিৰ্মাণ কৰা 'ৰামধেনু' নামৰ চফ্‌টৱেৰটোৱেই বৰ্তমান কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে ব্যৱহাৰ হোৱা অন্যতম চফ্‌টৱেৰ। এই চফ্‌টৱেৰসমূহৰ ভিতৰতে লিখিবৰ বাবে প্ৰয়োজন হোৱা কী-বৰ্ড, ফণ্ট আদি অন্তৰ্ভুক্ত হৈ থাকে।

কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে প্ৰকৃত অসমীয়া কী-বৰ্ডৰ বিকাশ হয় ইউনিক'ড প্ৰণালীৰ উদ্ভাৱনৰ পিছৰ পৰাহে। প্ৰথম অৱস্থাত কম্পিউটাৰত লিখিবৰ বাবে মূল বাংলা কী-বৰ্ডসমূহতে অসমীয়া 'ৰ' আৰু 'ৱ'ৰ বিকাশ ঘটাই কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে ব্যৱস্থা কৰা হৈছিল। তেনে কী-বৰ্ডসমূহৰ ভিতৰত উল্লেখযোগ্য কী-বৰ্ড আছিল —

(১) বৰহ (Baraha) আৰু

(২) অভ্ৰ' (Avro)

ইয়াৰ পিছত বহুকেইজন অসমীয়া ব্যক্তিয়ে নিজস্ব চিন্তা-চৰ্চাৰে কম্পিউটাৰত লিখিবৰ বাবে কেইবাখনো অসমীয়া কী-বৰ্ডৰ নিৰ্মাণ কৰিছিল। সেই কী-বৰ্ডসমূহৰ ভিতৰত উল্লেখযোগ্য কী-বৰ্ডসমূহ তলত উল্লেখ কৰা হ'ল—

বিনামূলীয়া। ফাইলটো ডাউনল'ড কৰি আনজিপ কৰিলে ভিতৰত থকা ফাইলত সংস্থাপন নির্দেশনা পাব।

- *লাচিত ফ'নেটিক (Lachit Phonetic) 1.0* ঃ উইণ্ড'জ কম্পিউটাৰৰ বাবে নির্মাণ কৰা এইখন এখন ফ'নেটিক কী-বর্ড। নির্মাতা মৃদুল কুমাৰ শর্মা।
- *লাচিত (Lachit) 2.0* ঃ এইখন Apple iMac বা Macbook ৰ বাবে নির্মাণ কৰা কী-ব'র্ড। নির্মাতা মৃদুল কুমাৰ শর্মা।
- *মাইক্ৰ'ছফ্ট ইণ্ডিক ইন্‌পুট ২ (Indic Input 2)* ঃ মাইক্ৰ'ছফ্ট ইণ্ডিক ইন্‌পুট্ ২ হৈছে Webdunia নামৰ প্রতিষ্ঠানটোৰে সাজি উলিওৱা এবিধ ইউনিক'ড টাইপিং সঁজুলি। অসমীয়া টাইপিঙৰ ক্ষেত্রত ই বাৰুকৈয়ে জনপ্রিয়।

কম্পিউটাৰত লিখিব পৰা কী-বর্ড নির্মাণৰ সমান্তৰালভাৱে বহুকেইজন অসমীয়া ব্যক্তিয়ে একক প্রচেষ্টাৰে Android ম'বাইল আৰু টেবলেটত লিখিব পৰাকৈও কেইবাখনো কী-বর্ড নির্মাণ কৰি উলিয়াই। কম্পিউটাৰত লিখিব পৰা কী-বর্ড নির্মাণ কৰা বহুকেইজন নির্মাণকাৰিয়েই ম'বাইলৰ বাবেই একে নামেৰে কী-বর্ডসমূহ সাঁজি উলিয়াইছিল। Google Play Store-ত উপলব্ধ তেনে কী-বর্ডসমূহৰ ভিতৰত উল্লেখযোগ্য কী-বর্ডসমূহ হ'ল —

(১) Android ম'বাইলৰ বাবে লাচিত মাল্টিলিংগ কী-বর্ড
(২) ৰ'দালি
(৩) iPhone৷iPad-ৰ বাবে লাচিত অসমীয়া
(৪) পানিনি (৫) জাহ্নৱী



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়া কী-বর্ডৰ বিষয়ে এটা টোকা লিখক। (60 টা শব্দৰ ভিতৰত)

.....
.....
.....
.....
.....

১৪.৩.৩ অসমীয়া বিবিধ চফ্‌টৱেৰ

কম্পিউটাৰত অসমীয়া লিখিবৰ বাবে বহু কেইজন অসমীয়া ব্যক্তিয়ে বিভিন্ন চফ্‌টৱেৰ নির্মাণ কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য কেইবিধমান হ'ল—

বাক্য আদি লিখা বা সম্পাদনা কৰিব পৰাৰ উপৰি সঁজুলিটোৰ ভিতৰতে এক শব্দ-ভাণ্ডাৰ থাকে আৰু ইয়াত লিখিব বিচৰা শব্দৰ স্বয়ংক্রিয় নির্দেশনা, বর্ণাশুদ্ধিৰ ইংগিত, লিখি লোৱা অশুদ্ধ শব্দৰ বাবে সম্ভাব্য শুদ্ধ শব্দৰ তালিকা ইত্যাদি পোৱা যায়। অসমীয়া ভাষাৰ ক্ষেত্রত ৰৰ্ড প্রচেছৰৰ বহুদিনীয়া অভাৱ পূৰণৰ উদ্দেশ্যে ২০১৩ চনৰ মাজভাগত ''জাহ্নৱী-প্রৱাহিত শব্দৰ অলকানন্দা'' নামৰ এটি স্বেচ্ছামূলক সেৱাৰ প্রকল্প আৰম্ভ কৰা হয়। এই প্রকল্পৰ অধীনত প্রায় ২০ জন সদস্যৰ চাৰিমাহযোৱা প্রচেষ্টাৰ অন্তত ''জাহ্নৱী'' নামৰ ৰৰ্ড প্রচেছৰটিৰ প্রথম সংস্কৰণ (version 1.0) যোৱা বছৰ ২৫ নৱেম্বৰ তাৰিখে ব্লগ, ছ'চিয়েল নেটৱর্কিং ছাইট আদিৰ মাধ্যমেৰে মুকলি কৰা হয়।

- *আদর্শ দ্বিভাষিক অভিধান ঃ* এইখন এখন ডিজিটেল অভিধান। অভিধানখনৰ নির্মাতা হ'ল দুর্লভ গগৈ। এই ডিজিটেল অভিধানখনত মুঠ শব্দ ১,২০,০০০ ৰ অলপ বেছি। এই অভিধানখন দ্বিভাষিক চৰিত্রৰ, অর্থাৎ ইয়াত অসমীয়া শব্দৰ ইংৰাজী অর্থ আৰু ইংৰাজী শব্দৰ অসমীয়া অর্থ, দুয়োটাই চাব পাৰি। অসমীয়া শব্দ চাবৰ বাবে Assamese বুটামটো আৰু ইংৰাজী শব্দ চাবৰ বাবে English বুটামটো টিপি ল'লেই হয়। ভাষা সলনি কৰিবৰ বাবে নতুন এটা window খুলিব লগীয়া নহয়। ইয়াত শব্দবোৰৰ সমার্থক আৰু বিপৰীত ৰূপ দেখুৱায় আৰু সেয়া শব্দটোৰ অর্থৰ তলতে দেখুৱায়। বেলেগকৈ চোৱাৰ দৰকাৰ নপৰে। এই অভিধানখনৰ এটা এনড্রইড সংস্কৰণো আছে। এনড্রইড সংস্কৰণটোৰ দাম মাত্র ১০০ টকা। Google Play ত গৈ aadarxa bilingual dictionary সন্ধান কৰি ইয়াক ক্রয় কৰিব পাৰি।
- *জাহ্নৱী ৰূপান্তৰকঃ* ইউনিক'ডত লেখা কোনো লেখা ছপা মাধ্যমত প্রকাশ কৰিব পৰাকৈ লেখাসমূহ পুনৰ টাইপ নকৰাকৈ Adobe Page Maker-লৈ আনিবলৈ এই চফ্টৱেৰটোৱে সহায় কৰে। মূলতঃ ইউনিক'ড ফণ্টৰ পৰা গীতাঞ্জলি ফণ্টলৈ ৰূপান্তৰ কৰিব পৰা এই চফ্টৱেৰটো নির্মান কৰে উৎপল ফুকনে। এই চফ্টৱেৰটো বিনামূলীয়া নহয়। কম্পিউটাৰত স্থাপন কৰিবৰ বাবে ইয়াক নির্দিষ্ট মাছুল দি ক্রয় কৰিব লাগে।

ইয়াৰ উপৰি বিভিন্ন সময়ত বিভিন্নজন অসমপ্রেমী ব্যক্তিয়ে কেইবাটাও সৰু সৰু চফটৱেৰ নির্মাণ কৰি অসমীয়া ভাষাৰ সমৃদ্ধ কৰিছে। প্রসংগক্রমে উল্লেখযোগ্য যে 2020 চনৰ জানুৱাৰী মাহৰ আৰম্ভণিতে 'লাচিত কনভার্টাৰ' নামেৰে এটি ৰূপান্তৰক মৃদুল কুমাৰ শর্মাই দিব্য দত্ত, অংশুমান হাজৰিকা, ত্রিদীপজ্যোতি দাস, বিতোপন দাস আৰু জয়দীপ চক্রৱর্তীৰ সহযোগত নির্মাণ কৰিছে। এয়া বিনামূলীয়াকৈ পোৱা যায়। উল্লেখযোগ্য যে ত্রিদীপ কুমাৰ বৰুৱাৰো ৰামধেনু ৰূপান্তৰক নামৰ তেনে এটা চফ্টৱেৰ আছে আৰু সেয়া ক্রয় কৰিব লাগে।



১৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) বৰুৱা শান্তনু কৌশিক (২০১৫); *অসম ইয়েৰ বুক ২০১৬ ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

ৱেব চাইট

২) www.xahitya.org
৩) www.as.wikipedia.org
৪) www.sltdassam.com
৫) www. jahnabi.net
৬) www.assamesedictionary.com
৭) www.ratneresearch.com
৮) www.unicode.org



১৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ফণ্ট হৈছে আখৰক সংকেটত প্ৰকাশ কৰিব পৰা এক ধৰণৰ পদ্ধতি। এই পদ্ধতিক কিছুমান ক'ডত অন্তৰ্ভুক্ত কৰা থাকে আৰু কম্পিউটাৰ মণিটৰ বা প্ৰিণ্টাৰত কেনেধৰণৰ ডিজাইনেৰে প্ৰকাশ কৰিব তাক নিৰ্দেশ কৰা থাকে। ফণ্টবোৰক সাধাৰণতে ভেক্টৰ ফণ্ট (vector fonts), বিটমেপ ফণ্ট (Bitmap font), ট্ৰু-টাইপ (Truetype font) আৰু আউটলাইন ফণ্ট (Outline font) এই চাৰি ধৰণেৰে পোৱা যায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ইউনিক'ড (Unicode) হৈছে কম্পিউটাৰৰ লিখন প্ৰণালীত থকা আখৰ বা চিনবোৰৰ সংহত নিয়মীকৰণ, নিৰ্দেশনা আৰু প্ৰতিনিধিত্ব কৰিব পৰাকৈ ব্যৱহৃত এক কাৰিকৰী মান। ১৯৯১ চনত Unicode Consortium নামৰ অপেছাদাৰী সংগঠনটোৱে 'ইউনিক'ড' নামৰ এটা প্ৰণালী উদ্ভাৱন কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ইউনিক'ড পদ্ধতিত "বিশ্বৰ প্ৰায় সকলো ভাষাৰ লিপিসমূহ পৰ্য্যায় ক্ৰমে একো একোটা বিশেষ মানদণ্ডত ৰখা অথবা ৰাখিবলৈ চেষ্টা কৰা হৈছে।" ইউনিক'ডে বিশ্বৰ প্ৰতিটো ভাষাৰ বৰ্ণমালাৰ বাবে একোটা সুকীয়া range ৰ সৃষ্টি কৰিছে, (বাংলা ভাষাৰ বাবে-U+0980-ৰ পৰা U+09FF, দেৱনাগৰী(হিন্দী) U+0900-ৰ পৰা

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কম্পিউটাৰত ব্যৱহৃত অসমীয়া ভাষা সম্পর্কে বহলাই লিখা।

প্রশ্ন ২ ঃ কম্পিউটাৰৰ অসমীয়া ফণ্ট সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ কম্পিউটাৰৰ অসমীয়া কী-বর্ড সম্পর্কে এটি সমীক্ষাত্মক টোকা প্রস্তুত কৰক।

প্রশ্ন ৪ ঃ কম্পিউটাৰৰ অসমীয়া বিবিধ চফ্টৱেৰ সম্পর্কে বহলাই আলোচনা কৰক।

*** ***** ***